ভাৰত চৰকাৰ
বিধি আৰু ন্যায় মন্ত্ৰালয়

# ৰেলযাত্ৰীৰ ওপৰত সীমাকৰ অধিনিয়ম, ১৯৫৬

(১৯৫৬ ৰ ৬৯ নং অধিনিয়ম)

[১ এপ্ৰিল, ১৯৯০ তাৰিখে যথা বিদ্যমান]

# The Terminal Tax on Railway Passengers Act, 1956

(Act No. 69 of 1956)

[As on the 1st April, 1990]

ভাৰত চৰকাৰৰ হকে, অসম চৰকাৰ (বিধান বিভাগ) ৰ দ্বাৰা প্ৰকাশিত আৰু
অসম চৰকাৰী ছপাশালত মুদ্ৰিত, গুৱাহাটী - ২১

## পাতনি

১ এপ্ৰিল, ১৯৯০ তাৰিখে যথা বিদ্যমান ৰেলযাত্ৰীৰ ওপৰত সীমাকৰ অধিনিয়ম, ১৯৫৬ (১৯৫৬ ৬৯ নং)ৰ এই সংস্কৰণত এই অধিনিয়মৰ অসমীয়াত প্ৰাধিকৃত অনুবাদ আছে আৰু এই অসমীয়া অনুবাদ ৭/৯/১৯৯০ তাৰিখৰ ভাৰতৰ ৰাজপত্ৰ, অসাধাৰণ, ভাগ—৬, অনুভাগ—১, নং ১, খণ্ড ১ৰ পৃষ্ঠা ১৮ৰ পৰা ২০ত প্ৰকাশিত হৈছিল।

প্ৰাধিকৃত পাঠ (কেন্দ্ৰীয় বিধি) অধিনিয়ম, ১৯৭৩ৰ ধাৰা ২ৰ খণ্ড (ক)ৰ অধীনত ৰাষ্ট্ৰপতিৰ প্ৰাধিকাৰাধীনে অসমীয়াত এই প্ৰাধিকৃত অনুবাদ প্ৰকাশ কৰা হৈছিল আৰু এনেদৰে প্ৰকাশ হোৱাত অসমীয়াত এই অধিনিয়মৰ প্ৰাধিকৃত পাঠৰূপে গণ্য হ'ব।

## PREFACE

This edition of the Terminal Tax on Railway Passengers Act, 1956 (69 of 1956) as on the 1st April, 1990 contains the authorised translation of that Act in Assamese and the same was published in the Gazette of India, Extraordinary, part VI, Section 1, No. 1, Vol. 1 dated 7th July, 1990 on pages 18 to 20.

This authorised translation in Assamese was published under the Authority of the President under clause (a) of section 2 of the Authoritative Texts (Central Laws) Act, 1973 and on such publication, it became the authoritative texts of the Act in Assamese.

New Delhi — V. S. RAMA DEVI,

Date 14th Oct. 1990 — Secretary to the Govt. of India.

## ৰেলযাত্ৰীৰ ওপৰত সীমাকৰ অধিনিয়ম, ১৯৫৬

### ধাৰাসমূহৰ ক্ৰম


ধাৰাসমূহ—

১। সংক্ষিপ্ত নাম, বিস্তাৰ আৰু প্ৰাৰম্ভ।

২। পৰিভাষা।

৩। অনুসূচিত স্থানলৈ যোৱা বা অহা ৰেলযাত্ৰীৰ ওপৰত সীমা কৰ।

৪। কিছু সীমা ৰেখাৰ ভিতৰত সীমা কৰ লগোৱা নহব।

৫। কেন্দ্ৰীয় চৰকাৰৰ কৰ সাল-সলনি কৰাৰ ক্ষমতা।

৬। কেন্দ্ৰীয় চৰকাৰৰ কৰ লগোৱা বন্ধ কৰিবলৈ ক্ষমতা।

৭। কৰ আদায়ৰ পদ্ধতি।

৮। এই অধিনিয়মৰ অধীনত সীমাকৰ লগালে অন্য কৰ লগাব নোৱাৰিব।

৯। ৰেহাই।

অনুসূচী—

# ৰেলযাত্ৰীৰ ওপৰত সীমাকৰ অধিনিয়ম, ১৯৫৬

(১৯৫৬ চনৰ ৬৯ নং)

(১ এপ্ৰিল, ১৯৯০ তাৰিখে যথা বিদ্যমান)

[১২ ডিচেম্বৰ, ১৯৫৬]

কিছুমান তীৰ্থস্থান নাইবা উৎসৱ, মেলা বা প্ৰৰ্দশনী অনুষ্ঠিত হোৱা ঠাইলৈ ৰেলেৰে যাতায়ত কৰা যাত্ৰীৰ ওপৰত সীমা কৰ লগোৱাৰ ব্যৱস্থা কৰণাৰ্থে এখনি অধিনিয়ন।

ভাৰত গণৰাজ্যৰ সপ্তম বৰ্ষত সংসদৰ দ্বাৰা নিম্নলিখিত ভাবে অধিনিয়মিত হ'ল ঃ—

সংক্ষিপ্ত নাম, বিস্তাৰ আৰু প্ৰাৰম্ভ।

১। (১) এই অধিনিয়মৰ নাম ৰেল যাত্ৰীৰ ওপৰত সীমাকৰ অধিনিয়ম, ১৯৫৬।

(২) ইয়াৰ বিস্তাৰ সমগ্ৰ ভাৰত ব্যাপী হব।

(৩) কেন্দ্ৰীয় চৰকাৰে চৰকাৰী ৰাজপত্ৰত দিয়া অধিসূচনাৰ দ্বাৰা ধাৰ্য কৰা তাৰিখত এই অধিনিয়ম বলবৎ হ'ব।

পৰিভাষা।

২। প্ৰসঙ্গত অন্যথা প্ৰয়োজন নহলে এই অধিনিয়মত,—

(ক) 'উৰ্দ্ধতম নিৰিখে' অনুসূচীত বিনিৰ্দ্দিষ্ট সীমাকৰৰ নিৰিখক বুজাব;

(খ) 'মেলা'ই কোনো ধৰ্মীয় উৎসৱত সমবেত হোৱা জনসমাবেশক বুজাব;

(গ) 'অধিসূচিত স্থানে' তীৰ্থস্থান নাইবা য'ত উৎসৱ, মেলা বা কোনো প্ৰদশনী অনুষ্ঠিত হৈছে বা হব পাৰে, কেন্দ্ৰীয় চৰকাৰে চৰকাৰী ৰাজপত্ৰত এই অধিনিয়মৰ উদ্দেশ্য সমূহৰ নিমিত্তে অধিসূচিত স্থান বুলি ঘোষণা কৰে তেনে স্থানক বুজাব;

(ঘ) 'ৰেল প্ৰশাসন'ৰ অৰ্থ ভাৰতীয় ৰেল অধিনিয়ম, ১৮৯০ত যেনেকৈ আৰোপ কৰা হৈছে সেই মতে হব। ১৮৯০ চনৰ ৯।

অধিসূচিত স্থানলৈ যোৱা বা অহা ৰেলযাত্ৰীৰ ওপৰত সীমা কৰ।

৩। (১) এই অধিনিয়মৰ অন্যান্য উপবন্ধ সমূহৰ সাপেক্ষে কোনো অধিসূচিত কোনো স্থানৰ পৰা বা স্থানলৈ ৰেলেৰে যাতায়ত কৰা যাত্ৰী সকলৰ এফালৰে হওক বা দুয়োফালৰে হওক প্ৰতি টিকটৰ ওপৰত কেন্দ্ৰীয় চৰকাৰে চৰকাৰী ৰাজপত্ৰত অধিসূচনাৰ দ্বাৰা ধাৰ্য কৰি দিয়া এক নিৰিখত সীমাকৰ লগোৱা হব আৰু সেই অধিসূচনাত কোন তাৰিখৰ পৰা সেই কৰ লগোৱা হব বিনিৰ্দ্দিষ্ট কৰি দিব আৰু যিকালৰ বাবে এই কৰ লগোৱা হব তাৰো বিনিৰ্দ্দিষ্ট সীমা কৰি দিব পাৰিব ঃ

পৰন্তু, যি ক্ষেত্ৰত তেনে কোনো কাল অধিসূচনাত বিনিৰ্দ্দিষ্ট কৰি দিয়া নহয় তেনে ক্ষেত্ৰত যেতিয়ালৈকে এই অধিনিয়ম বলবৎ থাকে তেতিয়ালৈকে সীমা কৰ লগোৱা হব।

(২) 'উৰ্দ্ধতম নিৰিখ সাপেক্ষে' ঃ

(ক) বিভিন্ন অধিসূচিত স্থানৰ সম্পৰ্কত, আৰু

(খ) চমু গামী আৰু দূৰগামী যাত্ৰীৰ সম্পৰ্কত বিভিন্ন নিৰিখৰ যাত্ৰী-কৰ ধাৰ্য কৰিব পাৰিব, পৰন্তু চমু যাত্ৰীৰ নিৰিখ সম্পৰ্কত কৰা নিৰিখ দূৰগামী যাত্ৰীৰ সম্পৰ্কত ধাৰ্য কৰা নিৰিখতকৈ কম হব লাগিব।

স্পষ্টীকৰণ— এই উপধাৰাত কোনো অধিসূচিত স্থানৰ পৰা বা স্থানলৈ এশপঞ্চাশ মাইলৰ অনধিক দূৰত্বলৈ বা দূৰত্বৰ পৰা ৰেলেৰে ভ্ৰমণ কৰা এজন যাত্ৰীক চমুগামী যাত্ৰী বুলি গণ্য কৰা হব আৰু ৰেলেৰে ভ্ৰমণ কৰা অন্য যিকোনো যাত্ৰীক দূৰগামী যাত্ৰী বুলি গণ্য কৰা হব।

কিছু সীমা ৰেখাৰ ভিতৰত সীমা কৰ লগোৱা নহব।

৪। কোনো অধিসূচিত স্থানৰ পৰা বা স্থানলৈ সেই অধিসূচিত স্থানৰ চল্লিশ মাইল ব্যাসাৰ্দ্ধৰ ভিতৰত নাইবা কেন্দ্ৰীয় চৰকাৰে চৰকাৰী ৰাজপত্ৰত নিৰ্দিষ্ট কৰা তাতকৈ কম দূৰত্বৰ ভিতৰত অৱস্থিত কোনো ৰেল ষ্টেচনলৈ বা ৰেল ষ্টেচনৰ পৰা ৰেলেৰে ভ্ৰমণ কৰা কোনো যাত্ৰীৰ ওপৰত সীমাকৰ বহুৱাব নোৱাৰিব।

কেন্দ্ৰীয় চৰকাৰৰ কৰ সালসলনি কৰাৰ ক্ষমতা।

৫। কেন্দ্ৰীয় চৰকাৰে চৰকাৰী ৰাজপত্ৰত অধিসূচনাৰ দ্বাৰা সাধাৰণ-ভাৱে অধিসূচিত কোনো কোনো স্থানৰ সম্বন্ধত সকলো ৰেল যাত্ৰীৰ সম্পৰ্কত নাইবা কোনো শ্ৰেণীৰ ৰেল যাত্ৰীৰ সম্পৰ্কত ধাৰা (৩) ত লগোৱা সীমাকৰৰ নিৰিখ সময়ে সময়ে সাল সলনি কৰিব পাৰিব।

কেন্দ্ৰীয় চৰকাৰৰ কৰ লগোৱা বন্ধ কৰিবলৈ ক্ষমতা।

৬। কেন্দ্ৰীয় চৰকাৰে চৰকাৰী ৰাজপত্ৰত অধিসূচনাৰ দ্বাৰা এনে ঘোষণ কৰিব পাৰিব যে সেই অধিসূচনাত নিৰ্দিষ্ট কৰা কোনো তাৰিখৰ পৰা কোনো অধিসূচিত স্থানৰ সম্পৰ্কত লগোৱা সীমাকৰ সেই অধিসূচনাত নিৰ্দিষ্ট কাৰণ সমূহৰ বাবে সেই স্থানৰ সম্পৰ্কত লগোৱাটো বন্ধ হব।

কৰ আদায়ৰ পদ্ধতি।

৭ (১) এই অধিনিয়মৰ অধীনত লগোৱা সীমাকৰ ৰেল ভাড়াৰ ওপৰত৷ওপৰঞ্চি কৰ লগাই ৰেল প্ৰশাসনৰ দ্বাৰা সংগৃহীত হব আৰু যি ক্ষেত্ৰত এনেকৈ সংগৃহীত হয় তেনে ক্ষেত্ৰত ইয়াক উচল কৰিবৰ বাবে উক্ত প্ৰশাসনৰ যি ক্ষমতা আৰু উপায় আছে সেই সকলো ক্ষমতা আৰু উপায় ৰেল প্ৰশাসনৰ থাকিব যেনিবা ই ভাৰতীয় ৰেল অধিনিয়ম, ১৮৯০ৰ অধীনত ৰেল প্ৰশাসনক যি নিৰিখত বা ভাড়া লগাবলৈ দিয়া হৈছে ই সেই নিৰিখ বা ভাড়াহে আছিল।

(২) কোনো অধিসূচিত স্থানৰ ক্ষেত্ৰত আৰোপ কৰা কৰৰ মুঠ আগমৰ কেন্দ্ৰীয় চৰকাৰে সময়ে সময়ে নিৰ্দিষ্ট কৰি দিয়া অংশ কৰ সংগ্ৰহৰ খৰছ বহন কৰিবৰ বাবে বিয়োগ দিয়া হব।

এই অধিনিয়মৰ অধীনত সীমাকৰ লগালে অন্য কৰ লগাব নোৱাৰিব।

৮। যি কোনো বিধিত যিহকে নাথাকক যি ক্ষেত্ৰত কোনো অধি-সূচিত স্থানৰ সম্পৰ্কত এই অধিনিয়মৰ অধীনত ৰেলে বহন কৰা যাত্ৰীৰ ওপৰত অধিসূচিত যি কোনো স্থানৰ সম্পৰ্কত সীমা কৰ লগোৱা হয়, সেই স্থানৰ সম্পৰ্কত অন্য কোনো বিধিৰ অধীনত তেনে যাত্ৰীৰ ওপৰত সীমাকৰ লগোৱা নহব।

৯। এই অধিনিয়মৰ নাইবা অইন কোনো বিধিৰ অন্তৰ্গত একোৱেই ৰেলে বহন কৰা নিম্নলিখিত শ্ৰেণীৰ যাত্ৰীৰ ওপৰত সীমাকৰ লগাবলৈ অধিকাৰ দিয়া বুলি ধৰি লোৱা নহব, যথা ঃ—

(ক) তিনি বছৰ পূৰ্ণ নোহোৱা শিশুৰ ওপৰত;

(খ) ৰেল কৰ্তৃপক্ষৰ অনুমতি পত্ৰৰ দ্বাৰা যাতায়ত কৰা আৰক্ষী বিষয়াৰ ওপৰত;

(গ) সামৰিক বিভাগৰ পৰোৱানা লৈ ভ্ৰমণ কৰা ব্যক্তি সমূহ আৰু আচুতীয়া বাহনত, বাহনৰ নিৰিখ অনুযায়ী ভ্ৰমণ কৰা সৈনিক সকল; আৰু

(ঘ) বিনামূলীয়া অনুমতি পত্ৰলৈ ভ্ৰমণ কৰা লোকসকললৈ।

# অনুসূচী

সীমাকৰৰ উৰ্দ্ধতম নিৰিখ

[ ধাৰা ২ (ক) চাওঁক]

| ১ | ২ | | | | | |
|---|---|---|---|---|---|---|
| ব্যৱস্থাপনৰ শ্ৰেণী | সীমাকৰৰ উৰ্দ্ধতম নিৰিখ | | | | | |
| | (ক) প্ৰতি টিকটৰ ক্ষেত্ৰত | | | (খ) প্ৰতি ফ্ৰিৰৎ টিকটৰ ক্ষেত্ৰত | | |
| | টকা | অঃ | পঃ | টকা | অঃ | পঃ |
| ১। শীত তাপ নিয়ন্ত্ৰিত বা প্ৰথম শ্ৰেণী | ১ | ৮ | ০ | ৩ | ০ | ০ |
| ২। দ্বিতীয় শ্ৰেণী | ১ | ০ | ০ | ২ | ০ | ০ |
| ৩। তৃতীয় শ্ৰেণী | ০ | ৮ | ০ | ১ | ০ | ০ |